# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 02-12-2025
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

আজি অসম দিৱস। এই উপলক্ষে বৰ অসমৰ ভেটি গঢ়োতা স্বৰ্গদেউ চাওলুং চ্যুকাফাৰ বীৰত্ব, বিচক্ষণতা আৰু অৱদানক সুঁৱৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তত ভিন ভিন কাৰ্যসূচীৰ আয়োজন কৰা হয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই স্বৰ্গদেউ চাওলুং চ্যুকাফাক সুঁৱৰি সামাজিক মাধ্যমত এটা বিশেষ বাৰ্তা প্ৰকাশ কৰিছে। চাওলুং চ্যুকাফালৈ সন্মান জনাই ৰাজ্য চৰকাৰে ঘোষণা কৰা চৰাইদেউৰ চ্যুকাফা বিশ্ববিদ্যালয় স্বৰ্গদেউ চ্যুকাফাই গঢ়ি তোলা বৰ অসমৰ ভেটি বাস্তৱায়িত কৰাৰ বিনম্ৰ প্ৰয়াস বুলিও মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই অসম দিৱস উপলক্ষে ৰাজ্যবাসীক অসমৰ প্ৰথমজন স্বৰ্গদেউৰ আদৰ্শেৰে অনুপ্ৰাণিত হ'বলৈ আহ্বান জনায়।

**বাইট (ৰাজ্যপাল)**

অসম দিৱসৰ কেন্দ্ৰীয় কাৰ্যসূচী ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত শিৱসাগৰ জিলাৰ নাজিৰা খেলপথাৰত দিনজোৰা কাৰ্যসূচীৰে উদযাপন কৰা হয়। অনুষ্ঠানত সাংস্কৃতিক পৰিক্ৰমা, উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বৰা মুখ্য অতিথি হিচাপে উপস্থিত থাকে। মন্ত্ৰীগৰাকীয়ে এখন সৰ্বাংগ সুন্দৰ অসম গঢ়াৰ স্বাৰ্থত সকলোকে ভাতৃত্ববোধ আৰু সম্প্ৰীতিৰ ভাৱনাৰে একত্ৰিত হ'বলৈ আহ্বান জনায়। অনুষ্ঠানত কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, মন্ত্ৰী যোগেন মহন, পীযূষ হাজৰিকাই সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰে। সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ লগতে টাই-আহোম উন্নয়ন পৰিষদৰ উদ্যোগত আৰু শিৱসাগৰ জিলা প্ৰশাসন আৰু আটাছু নাজিৰা মহকুমা সমিতিৰ উদ্যোগত অনুষ্ঠিত এই কাৰ্যসূচীৰ অংশ হিচাপে জলসম্পদ বিভাগৰ মন্ত্ৰী পীযূষ হাজৰিকাই চাওলুং চ্যুকাফাৰ এটা ২০ ফুট উচ্চতাৰ প্ৰতিমূৰ্তি উন্মোচন কৰে।

০০০০০০

অসম আৰক্ষী আৰু গৃহ বিভাগৰ মুঠ ৫ হাজাৰ ৮১৮ গৰাকী নৱ-নিৰ্বাচিত প্ৰাৰ্থীক কাইলৈ নিযুক্তি-পত্ৰ প্ৰদান কৰা হ'ব। সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত কাইলৈ দিনৰ ১১ বজাত আয়োজিত এটা অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নিযুক্তি-পত্ৰসমূহ প্ৰদান কৰিব। ইয়াৰ ভিতৰত অসম আৰক্ষীৰ উপ-পৰিদৰ্শক আৰু সমপৰ্যায়ৰ পদত ১৫৬ গৰাকী, কনিষ্টবল আৰু সমপৰ্যায়ৰ পদত ৫ হাজাৰ ৪১০ গৰাকী প্ৰাৰ্থীৰ লগতে ২৫২ গৰাকী চতুৰ্থ বৰ্গৰ পদৰ প্ৰাৰ্থী আছে। নিৰ্বাচিত প্ৰাৰ্থীসকলৰ ৫ হাজাৰ ১০গৰাকীয়ে অসম আৰক্ষী, ৪১১ গৰাকীয়ে অসম আৰক্ষী অনাতাঁৰ সংগঠন, ৩৬১ গৰাকীয়ে গৃহৰক্ষী আৰু অসামৰিক প্ৰতিৰক্ষা, ২১ গৰাকীয়ে অগ্নি আৰু জৰুৰীকালীন সেৱা, ১২ গৰাকীয়ে কাৰাগাৰ আৰু তিনিগৰাকীয়ে ফৰেনচিক বিজ্ঞান

সঞ্চালকালয়ত নিযুক্তি লাভ কৰিছে। ইপিনে, চাহ জনজাতি সম্প্ৰদায়ৰ বাবে সংৰক্ষিত ৩ শতাংশ পদত নিৰ্বাচিত ১২০ গৰাকী প্ৰাৰ্থীক অহা ৮ ডিচেম্বৰত পৃথকভাৱে নিযুক্তি-পত্ৰ প্ৰদান কৰা হ'ব। ০০০০

০০০০০০

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা আজি তেলেংগানাৰ সংবাদমাধ্যমৰ এটা প্ৰতিনিধি দলৰ সৈতে বৈঠকত মিলিত হয়। বৈঠকত শিক্ষা, স্বাস্থ্য, নাৰী সৱলীকৰণ আৰু আন্তঃগাথনিকে ধৰি ৰাজ্যৰ বিভিন্ন গুৰুত্বপূৰ্ণ খণ্ডসমূহৰ পৰিৱৰ্তনৰ বিষয়ে প্ৰতিনিধি দলটোক অৱগত কৰোৱা হয়।

০০০০০০

মাদক দ্ৰব্য নিয়ন্ত্ৰণ ব্যুৰো গুৱাহাটীয়ে কাচাৰত  এটা আন্তৰাষ্ট্ৰীয় ড্ৰাগছ সৰবৰাহকাৰী চক্ৰক উৎখাত কৰিছে। মাদক দ্ৰব্য নিয়ন্ত্ৰণ ব্যুৰোৰ এটা দলে শিলচৰৰ সমীপৰ বৰাক নদীত অভিযান চলাই আজি এখন নাওৰ পৰা ৬ কিলো ১৪৯ গ্ৰাম হেৰোইন জব্দ কৰে। হেৰোইনখিনিৰ মূল্য ১২ কোটি ৫০ লাখ হ'ব বুলি অনুমান কৰা হৈছে। ঘটনা সন্দৰ্ভত লখিমপুৰৰ জেকব হামাৰ আৰু মেলদি হামাৰ নামৰ দুজন লোকক গ্ৰেপ্তাৰ কৰা হৈছে।

০০০০০০

নিষিদ্ধ ঘোষিত আলফাৰ দুজন সদস্যই আজি ডিব্ৰুগড় জিলাৰ জ্যেষ্ঠ অধীক্ষক অভিজিত গৌৰৱ দিলীপৰ ওচৰত অস্ত্ৰ সম্বৰণ কৰে।  অস্ত্ৰ সম্বৰণ কৰা আলফা সদস্য দুজনক অস্তিত্ব অসম আৰু বন অসম বুলি চিনাক্ত কৰা হৈছে। আৰক্ষীয়ে বৰ্তমান সদস্য দুজনক জেৰা কৰি আছে।

০০০০০০

ৰাজ্য চৰকাৰৰ শক্তি মন্ত্ৰী প্ৰশান্ত ফুকনে আজি ডিব্ৰুগড় বিধানসভা সমষ্টিৰ দুৰাৰোগ্য ৰোগত চিকিৎসাধীন হৈ থকা বিভিন্ন ৰোগীসকলক মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ এককালীন চেক প্ৰদান কৰে। সৰ্বমুঠ ২৬ গৰাকী ৰোগীক মন্ত্ৰীগৰাকীয়ে চেক বিতৰণ কৰে। এই সন্দৰ্ভত আমাৰ ডিব্ৰুগড়ৰ সংবাদদাতাৰ সৈতে হোৱা কথোপকথনত শ্ৰীফুকনে এই ধনৰাশিয়ে আৰ্থিকভাৱে অনগ্ৰসৰ পৰিয়ালৰ ৰোগীসকলক যথেষ্ট সকাহ প্ৰদান কৰিব বুলি আশা প্ৰকাশ কৰে।

০০০০০০০

বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰীয়ে আজি বাক্সা জিলাৰ সদৰস্থিত মুছলপুৰ উন্নয়ন খণ্ডৰ নতুন গৃহৰ আধাৰশিলা স্থাপন কৰে। এই উপলক্ষে দিয়া ভাষণত তেওঁ কয় যে বাক্সা জিলাৰ সদৰ মুছলপুৰত বহুত কৰিবলগীয়া কাম আছে আৰু তেওঁ এনে কামৰ পৰিকল্পনা প্ৰস্তুত কৰিবলৈ নিৰ্দেশ দিছে।

০০০০০০০

**ঃঃ সমাপ্ত ঃঃ**